# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 12-09-2026 **Time :** 1100 Hrs.

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক, জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৮ সংখ্যক তিৰোভাৱ তিথি। প্ৰতি বছৰে ভাদ মাহত অনুষ্ঠিত গুৰুজনাৰ এই তিথিত তেওঁৰ আধ্যাত্মিক তথা সাংস্কৃতিক অৱদান সুঁৱৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰ হৈ পৰে।

মাজুলীৰ কেইবাখনো সত্ৰত আজি ৰূপান্তৰৰ খনিকৰ, জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে। সজাই-পৰাই তোলা সত্ৰ-নামঘৰসমূহ আজি পুৱাৰে পৰা নাম-প্ৰসংগ, গীত-নৃত্য আৰু গুৰুবন্দনাৰে মুখৰিত হৈছে। উজনি মাজুলীৰ নৱ ৰতনপুৰ গাঁৱৰ আইসকলে গুৰুজনাৰ তিথি উপলক্ষে নাম পৰিৱেশন কৰিছে।

(বাইট)

গুৰুজনাৰ তিৰোভাৱ তিথি আজি সমগ্ৰ বৰপেটাতে উলহ-মালহেৰে পালন কৰা হৈছে। ঐতিহ্য মণ্ডিত বৰপেটা সত্ৰত কীৰ্তন মহোৎসৱৰূপে এই তিথি পালন কৰা হয়।

*এই সন্দৰ্ভত আমাক সবিশেষ জনাইছে বৰপেটা জিলাৰ আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই-*

(ভইচকাষ্ট)

কোচবিহাৰৰ মধুপুৰ সত্ৰতো আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। মধুপুৰ সত্ৰ আৰু উত্তৰ বংগৰ সত্ৰ তথা নামঘৰ সমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জানিবলৈ দিয়া অনুসৰি আজি প্ৰভাতী বন্দনাৰে কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পাছত ভাগৱত পাঠ, নাম প্ৰসংগ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। বিয়লি আইসকলৰ থিয়নামৰ পাছত সন্ধিয়া বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব।

০০০০০০০

চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত আজি দেশজুৰি অনুষ্ঠিত হৈছে। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত 'জুবিন গাৰ্গৰ গানৰ সাংগীতিক বৈশিষ্ট্য আৰু বিবিধতা' বিষয়ক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট সুৰকাৰ, কণ্ঠশিল্পী, সংগীত পৰিচালক জে পি দাস, লেখক, কবি, সাংস্কৃতিক সমালোচক সমুদ্ৰ কাজল শইকীয়া আৰু আকাশবাণীৰ ঘোষক, গায়ক তথা ভইচ ক্ৰাফ্টৰ প্ৰতিষ্ঠাপক ভাস্কৰজ্যোতি আচাৰ্যই। অনুষ্ঠানটিৰ আঁত ধৰিব পৰিস্মিতা দিহিঙীয়া আৰু জিণ্টী ৰাণী ডেকাই।

০০০০০০০

শোণিতপুৰ জিলাৰ টুবুকিঝাৰত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত পাঁচগৰাকী লোকৰ মৃত্যু হয়। এখন তীব্ৰবেগী ট্ৰাকে বিপৰীত দিশৰ পৰা অহা ইক' ভান এখনত খুন্দা মৰাৰ ফলত ইক ভানখন দঁ খাৱৈত বাগৰি পৰি দুৰ্ঘটনাটো সংঘটিত হয়। নিহত লোককেইজন সঞ্জয় মেচ, লাটুমণি বৰা, প্ৰাঞ্জল বনিয়া, হৰবিন্দ হাজোৱাৰী আৰু নয়ন স্বৰ্গীয়াৰী বুলি চিনাক্ত কৰা হৈছে। আটাইকেইগৰাকীৰে ঘৰ ওহনী পথাৰ বটাবাৰীত বুলি জানিব পৰা গৈছে।

০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আৰক্ষীয়ে অভিযান চলাই ২৯ টা গৰুভৰ্তি এখন ট্ৰাক জব্দ কৰে। আৰক্ষীয়ে আছিকুল হক আৰু আক্কাছ আলী নামৰ দুজন লোককো গ্ৰেপ্তাৰ কৰে।

০০০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অষ্টাদশ ব্ৰীকছ্ সন্মিলন অনুষ্ঠিত হৈছে। সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে ভালেসংখ্যক বিদেশী নেতা আৰু জ্যেষ্ঠ বিষয়া নতুন দিল্লীত উপস্থিত হৈছে। ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰৱ, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ইকে ধৰি ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰিব।

ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবাবো ছুবিয়াণ্টোই যোৱা নিশা ৰাজধানী মহানগৰখনত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীক কেন্দ্ৰীয় কয়লা আৰু খনি ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবেই বিমান বন্দৰত আদৰণি জনায়।

বুৰুণ্ডিৰ ৰাষ্ট্ৰপতি এভাৰিষ্টে নাডাইছিমিয়ে আফ্ৰিকান ইউনিয়নক প্ৰতিনিধিত্ব কৰি ব্ৰীকছ্ সন্মিলনত অংশগ্ৰহণৰ বাবে কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁক কেন্দ্ৰীয় গধূৰ উদ্যোগ আৰু তীখা ৰাজ্য মন্ত্ৰী ভূপাথীৰাজু শ্ৰীনিবাস বাৰ্মাই আদৰণি জনায়।

আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমেও ইতিমধ্যে ভাৰতত উপস্থিত হৈছে। দুয়োগৰাকী অতিথিক কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে বিমান বন্দৰত আদৰণি জনায়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে আবুধাবিৰ যুৱৰাজগৰাকীৰ ভাৰতলৈ এই আগমনৰ সুবাদতে ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ মাজত সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব শক্তিশালী হ'ব আৰু বাণিজ্য তথা শক্তি সুনিশ্চিতকৰণৰ দিশত ই ইতিবাচক প্ৰভাব পেলাব। ভাৰত আৰু মালয়েছিয়াৰ দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্বন্ধৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভাৰত ভ্ৰমণে বাণিজ্য, বিনিয়োগ, ডিজিটেল অৰ্থনীতি, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত দুয়ো দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰিব।

০০০০০

**সমাপ্ত**